# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

সংসদত কাইলৈ দাখিল কৰিবলগীয়া কেন্দ্ৰীয় বাজেটে দেশৰ পৰৱৰ্তী ৫ বছৰৰ কাৰ্যকলাপৰ বাবে দিশ নিৰ্ণয় কৰাৰ লগতে ২০৪৭ বৰ্ষৰ বিকশিত ভাৰতৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে ভেটি নিৰ্মাণ কৰিব। আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে সংসদ ভৱনৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মোদীয়ে কয় যে লোকসভাৰ শেহতীয়া নিৰ্বাচনত দেশৰ জনসাধাৰণে তেওঁলোকৰ ৰায় দান কৰে আৰু এতিয়াৰেপৰা পৰৱৰ্তী ৫ বছৰৰ বাবে সকলো ৰাজনৈতিক দলেই একেলগে কাম কৰাটো অপৰিহাৰ্য হৈ পৰিল। বিৰোধী দলসমূহে নিজৰ বিফলতাক ঢাকি ৰখাৰ চেষ্টাৰে সংসদৰ সময় ব্যৱহাৰ কৰা বুলি অভিযোগ কৰি এনে নেতিবাচক ৰাজনীতিৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক সমালোচনা কৰে।

সদনৰ কাম-কাজ ৰাজনৈতিক দলসমূহৰ স্বাৰ্থত নহয়, বৰঞ্চ দেশৰ স্বাৰ্থতহে সম্পন্ন হয় বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে ৰাজনৈতিক দলসমূহক তেওঁলোকৰ নিজস্ব কাৰ্যসূচীৰ পৰিৱৰ্তে দেশৰ সেৱাৰ হকে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সাংসদসকলৰ প্ৰতি সেৱা আগবঢ়োৱাৰ পৰিৱৰ্তে দেশৰ ১৪০ কোটি নাগৰিকৰ প্ৰতি সেৱা আগবঢ়োৱাটোহে সদনৰ দায়িত্ব বুলি মত প্ৰকাশ কৰাৰ লগতে সংসদৰ প্ৰতিগৰাকী সদস্যক, বিশেষকৈ প্ৰথমবাৰৰ বাবে সদনলৈ অহা সদস্যসকলক তেওঁলোকৰ দৃষ্টিভংগী প্ৰকাশ কৰাৰ সুযোগ দিবলৈকো তেওঁ ৰাজনৈতিক দলসমূহৰ প্ৰতি আহ্বান জনায়।

বিগত তিনিটা বছৰত দেশত একেৰাহে প্ৰায় ৮ শতাংশকৈ অৰ্থনৈতিক বিকাশ সাধন হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষক বিশ্বৰ অন্যতম দ্ৰুত বিকাশশীল অৰ্থনীতি বুলি অভিহিত কৰে। ইতিবাচক দৃষ্টিভংগী, বিনিয়োগ আৰু পাৰদৰ্শিতাৰ সুবাদত সম্প্ৰতি সুযোগৰ পৰিৱেশ শীৰ্ষত উপনীত হোৱা বুলিও তেওঁ মত প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে তেওঁ জনসাধাৰণক প্ৰদান কৰা নিশ্চয়তাসমূহ কাৰ্যকৰী কৰাৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰিবলৈ চৰকাৰ অগ্ৰসৰ হৈছে বুলিও নিশ্চিত কৰি দিয়ে।

বাজেট অধিৱেশনক দেশৰ গৌৰৱময় গণতান্ত্ৰিক যাত্ৰা পথৰ এটা গুৰুত্বপূৰ্ণ লক্ষ্যস্থান বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজনৈতিক দলসমূহক দলগত আদৰ্শৰ উৰ্ধলৈ উঠি পৰৱৰ্তী চাৰে চাৰি বছৰত দেশৰ প্ৰতি নিজক উৎসৰ্গা কৰিবলৈ আহ্বান জনায়। সকলো ৰাজনৈতিক দলেই ২০২৯ চনৰ নিৰ্বাচনৰ সময়ত ৰাজনৈতিক ৰণত নামি পৰিব পৰাকৈ কৃষক, যুৱ সম্প্ৰদায় আৰু সামগ্ৰিকভাৱে দেশক শক্তিশালী কৰাৰ কামত অংশগ্ৰহণ কৰা উচিত বুলিও তেওঁ মত প্ৰকাশ কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত বৰ্তমানলৈ প্ৰায় দুই কোটি ২৮ লাখ ক্ষুদ্ৰ শিল্পী আৰু কাৰিকৰে নাম অন্তৰ্ভুক্ত কৰিছে। ইয়াৰে ১৩ লাখ ৯৪ হাজাৰ হিতাধিকাৰীৰ সুকলমে নাম পঞ্জীয়ন কৰা হৈছে। এইসকলৰ ভিতৰত পাঁচ লাখ ৪২ হাজাৰৰো অধিক মহিলা। দক্ষতা বিকাশ আৰু উদ্যোগীকৰণ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী জয়ন্ত চৌধুৰীয়ে লোকসভাত এটি লিখিত প্ৰশ্নৰ উত্তৰত কয় যে, দেশত মুঠ পাঁচ লাখ তিনি হাজাৰ ১৬১ গৰাকী আবেদনকাৰীক প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰে দুই লাখ ৭৪ হাজাৰ ৭০৩ গৰাকী মহিলা। তেওঁ লগতে কয় যে, কৰ্ণাটকৰ পৰা সৰ্বাধিক সংখ্যক আবেদনকাৰীয়ে পঞ্জীয়ন কৰিছে। ৰাজ্যখনৰ এক লাখ ৯ হাজাৰ প্ৰাৰ্থীয়ে মৌলিক দক্ষতা প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ লাভ কৰাৰ পিছত জম্মু-কাশ্মীৰৰ ৮১ হাজাৰ আৰু গুজৰাটৰ ৭৯ হাজাৰ প্ৰাৰ্থীয়ে প্ৰমাণপত্ৰ লাভ কৰে। ইয়াৰ লগতে তেওঁ কয় যে, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু গুজৰাটত সৰ্বাধিক ৮৫ হাজাৰৰো অধিক মহিলাই মৌলিক দক্ষতা প্ৰশিক্ষণৰ প্ৰমাণপত্ৰ লাভ কৰিছে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ছেপ্তেম্বৰ মাহত ১৮টা কৰ্মক সামৰি প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনি মুকলি কৰিছিল।

ooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত বৈঠকত মিলিত হয়। বন্যাৰ্তসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টাৰ বিষয়েও তেওঁ প্ৰধানমন্ত্ৰীগৰাকীক অৱগত কৰে। তদুপৰি সাক্ষাতকালত ৰাজ্যত চলি থকা উন্নয়নমূলক কামসমূহৰ স্থিতিৰ বিষয়েও আলোচনা কৰা হয়। অসমৰ জনসাধাৰণৰ হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীক তৃতীয় কাৰ্যকালৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

ooooooo

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰী গোচৰত আজি বিশেষ ন্যায়াধীশৰ আদালতে ৩২ জন অভিযুক্তক দোষী সাব্যস্ত কৰে। দীৰ্ঘদিন ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ লগতে প্ৰাক্তন দুই সদস্য চামেদুৰ ৰহমান, বসন্ত কুমাৰ দলে আৰু ২৯ জন কৃষি উন্নয়ন বিষয়া পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীক ধনৰ বিনিময়ত চাকৰি লোৱা বিচাৰত দোষী সাব্যস্ত কৰে। দোষী সাব্যস্ত হোৱা সকলে লাভ কৰিবলগীয়া শাস্তি সমূহ আদালতে কাইলৈ শুনানি গ্ৰহণ কৰিব। আনহাতে তথ্য প্ৰমাণৰ অভাৱত ১১ জন অভিযুক্তক আদালতে দোষমুক্ত হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে ৰাকেশ কুমাৰ পাল অধ্যক্ষ হৈ থকা সময়ত কৃষি উন্নয়ন বিষয়া নিযুক্তিৰ নামত ব্যাপক ধন লেনদেনৰ অভিযোগ তুলি এগৰাকী প্ৰাৰ্থীয়ে ২০১৭ চনত ভঙাগড় থানাত এজাহাৰ দাখিল কৰিছিল। এই সন্দৰ্ভত ৰুজু হোৱা গোচৰৰ ভিত্তিত ৰাকেশ কুমাৰ পাল সহ কেইবাজনো অভিযুক্তক ভঙাগড় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ পিছত আদালতে দীৰ্ঘদিন ধৰি বিভিন্ন সাক্ষীৰ ভাষ্য গ্ৰহণ কৰি গোচৰৰ ৰায়দান দিয়ে।

ooooooooo

**সমাপ্ত**